بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ১৫ জুনত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আঁহজৰত (ছাঃ) য়ে জুমাৰ নমাজৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰিবলৈ গৈ কৈছে যে এই নমাজৰ মাজত এনেকুৱা এটা সময় উপস্থিত হয় যেতিয়া মুছলমান সকলে সেই সময়ত গৈ নমাজত থিয় দিয়ে আৰু নমাজ পঢ়া অৱস্থাত যি দোৱা কৰে সেই দোৱা কবুল কৰি লোৱা হয় নাইবা যি কল্যাণ প্ৰাৰ্থনা কৰে সেয়া পূৰ্ণ কৰি দিয়ে। কিছুমান লোকে এয়াও কয় যে জুমাৰ খোতবা নমাজৰ অংশ গতিকে এই সময় খিনিতেও এনে সময়, অৰ্থাৎ কবুলিয়তে দোৱাৰ সময় আহি যাব পাৰে। যিয়েই নহওঁক জুমাৰ দিনটোৰ এটা বিশেষ গুৰুত্ব আছে। সেয়ে অত্যন্ত বাধ্যবাদকতা অবিহনে প্ৰত্যেক প্ৰাপ্তবয়স্ক পুৰুষ, বুজন সকলৰ বাবে এই নমাজ পঢ়া জৰুৰী সাব্যস্ত কৰা হৈছে। নমাজত প্ৰত্যেকেই নিজৰ নিজৰ অবিৰুচি আৰু প্ৰয়োজন অনুসৰি দোৱা কৰি থাকে। আকৌ কিছুমান এনেকুৱা লোক আছে যি সকলে নমাজ পঢ়ে অথচ বিশেষ দোৱাৰ প্ৰেৰণা সিহঁতৰ হৃদয়ত জন্ম নলয়। কেৱল নমাজৰ শব্দবোৰ আওৰাই নমাজ পঢ়ি লয়। সেই বাবে মই আজি ৰমজানৰ এই শেষ জুমাত কিছু দোৱা পঢ়িম যাতে এই বিষয়ে বোধ কম থকা সকলে বুজি পায় যে দোৱা কি বস্তু। লগতে জমাতী হিচাপে আমি আল্লাহ তায়লাৰ সমীপত নিজৰ দোৱা আৰু মোনাজাত কৰিম আৰু নমাজত গৈ সমুহীয়া ভাৱে সেই দোৱা সমুহ কবুলিয়তৰ প্ৰাৰ্থনা কৰিম। এই দোৱা সমুহৰ মাজত মই কিছুমান কোৰাণ কৰিমৰ আৰু কিছুমান আঁহজৰত (ছাঃ) ৰ দোৱা আৰু লগতে হজৰত মছিহ মাওউদ (আঃ) ৰ দোৱা মিলাই লৈছো। কিছুমান কোৰাণী দোৱা যাৰ মনত আছে তেওঁলোকে মোৰ সৈতে মনে মনে পাঠ কৰি যাব আৰু আমিন কৈ থাকিব। আল্লাহ তায়লা আমাৰ দোৱা সমুহ কবুল কৰি লওঁক। যেনেকৈ দোৱা আছে- سبحان الله وبحمده سبحان الله العظيم اللهم صل على محمد وآل محمد آনহাতে কোৰাণী দোৱা হ'ল رَبَّنَآ اٰتِنَا فِی الدُّنۡیَا حَسَنَۃً وَّفِی الۡاٰخِرَۃِ حَسَنَۃً وَّقِنَا عَذَابَ النَّارِ - অৰ্থাৎ হে আমাৰ পালন কৰ্তা (ৰাব্ব) আমাক ইহঁকাল আৰু পৰকালত আনন্দৰাজি দান কৰা আৰু আমাক অগ্নিৰ শাস্তিৰ পৰা ৰক্ষা কৰা। আকৌ رَبَّنَاۤ اَفۡرِغۡ عَلَیۡنَا صَبۡرًا وَّتَوَفَّنَا مُسۡلِمِیۡنَ - অৰ্থাৎ হে আমাৰ প্ৰভূ প্ৰতিপালক, আমাক ধৈৰ্য্য দান কৰা আৰু আমাক মুছলমান অৱস্থাত মৃত্যু দিয়া।

رَبَّنَاۤ اَنۡزِلۡ عَلَیۡنَا مَآئِدَۃً مِّنَ السَّمَآءِ تَکُوۡنُ لَنَا عِیۡدًا لِّاَوَّلِنَا وَاٰخِرِنَا وَاٰیَۃً مِّنۡکَ ۚ وَارۡزُقۡنَا وَاَنۡتَ خَیۡرُ الرّٰزِقِیۡنَ

হে আমাৰ আল্লাহ; প্ৰভু প্ৰতিপালক, আমাৰ ওপৰত সহজলভ্য প্ৰক্ৰিয়াৰে অনুগ্ৰহৰাজিৰ ভাণ্ডাৰ অৱতীৰ্ণ কৰা, যি আমাৰ আগৰ আৰু আমাৰ পিছৰ সকলোৰে বাবে ঈদ স্বৰূপ হয় আৰু তোমাৰ ফালৰ এটা মহান নিদৰ্শন স্বৰূপ যেন হয় আৰু আমাক ৰিজিক দান কৰা. তমিয়েই উত্তম ৰিজিক দান কৰোঁতা।

رَبَّنَاۤ اِنَّنَا سَمِعۡنَا مُنَادِیًا یُّنَادِیۡ لِلۡاِیۡمَانِ اَنۡ اٰمِنُوۡا بِرَبِّکُمۡ فَاٰمَنَّا ٭ۖ رَبَّنَا فَاغۡفِرۡ لَنَا ذُنُوۡبَنَا وَکَفِّرۡ عَنَّا سَیِّاٰتِنَا وَتَوَفَّنَا مَعَ الۡاَبۡرَارِ -

অৰ্থাৎ হে আমাৰ প্ৰভু প্ৰতিপালক; নিশ্চয় আমি এজন আহব্বানকাৰীৰ আহব্বান শুনিবলৈ পাইছো, যিজনে ঈমানৰ ফালে আহব্বান কৰিছিল যে প্ৰভূ প্ৰতিপালকৰ ওপৰত ঈমান স্থাপন কৰা। গতিকে আমি ঈমান লৈ আনিছো। হে আমাৰ প্ৰভূ, গতিকে আমাৰ গোনাহ ক্ষমা কৰি দিয়া আৰু আমাৰ পৰা আমাৰ পঙ্কিলতা দুৰ কৰি দিয়া আৰু আমাক নেকিৰ সৈতে মৃত্যু দিয়া। (আমিন)

رَبَّنَاۤ اٰمَنَّا بِمَاۤ اَنۡزَلۡتَ وَاتَّبَعۡنَا الرَّسُوۡلَ فَاکۡتُبۡنَا مَعَ الشّٰہِدِیۡنَ - অৰ্থাৎ হে আমাৰ প্ৰভূ; আমি ঈমান স্থাপন কৰিছো তাৰ ওপৰত যি (কিতাপ) তুমি অৱতীৰ্ণ কৰিছা আৰু আমি (তোমাৰ) ৰছুলৰ আনুগত্য কৰিছো গতিকে

আমাক সত্যৰ সত্যায়নকাৰী ৰূপে লিখি লোৱা।

رَبَّنَا لَا تُزِغْ قُلُوْبَنَا بَعْدَ اِذْ هَدَيْتَنَا وَهَبْ لَنَا مِنْ لَّدُنْكَ رَحْمَةً ۚ اِنَّكَ اَنْتَ الْوَهَّابُ۔ অৰ্থাৎ হে আমাৰ প্ৰভু তুমি আমাক হিদায়েত দান কৰাৰ পিছত আকৌ আমাৰ হৃদয় বক্ৰ হবলৈ নিদিবা, আৰু আমাক তোমাৰ ৰহমত দান কৰা, নিশ্চয় তুমিয়েই সৰ্বোত্তম দান কৰোঁতা। (আমিন)

رَبِّ هَبْ لِيْ مِنْ لَّدُنْكَ ذُرِّيَّةً طَيِّبَةً ۚ اِنَّكَ سَمِيْعُ الدُّعَآءِ۔ অৰ্থাৎ হে মোৰ প্ৰভু; মোক তোমাৰ নিজৰ ফালৰ পৰা পৱিত্ৰ সতি-সন্তান দান কৰা. নিশ্চয় তমিয়েই সৰ্বোত্তম দোৱা শুনোঁতা।

رَبَّنَا هَبْ لَنَا مِنْ اَزْوَاجِنَا وَذُرِّيّٰتِنَا قُرَّةَ اَعْيُنٍ وَّاجْعَلْنَا لِلْمُتَّقِيْنَ اِمَامًا۔ অৰ্থাৎ হে আমাৰ প্ৰভু প্ৰতিপালক; তুমি আমাক নিজৰ জীৱণ সঙ্গীনি আৰু নিজৰ সতি-সন্তানৰ পৰা চাক্ষুষ প্ৰশান্তি দান কৰা আৰু আমাক মুত্তাকী সকলৰ ইমাম বনাই দিয়া।

رَبِّ اَوْزِعْنِيْٓ اَنْ اَشْكُرَ نِعْمَتَكَ الَّتِيْٓ اَنْعَمْتَ عَلَيَّ وَعَلٰى وَالِدَيَّ وَاَنْ اَعْمَلَ صَالِحًا تَرْضٰىهُ وَاَصْلِحْ لِيْ فِيْ ذُرِّيَّتِيْ ۚ اِنِّيْ تُبْتُ اِلَيْكَ وَاِنِّيْ مِنَ الْمُسْلِمِيْنَ۔

অৰ্থাৎ হে মোৰ প্ৰভূ; মোক তোমাৰ অনুগ্ৰহৰাজিৰ কৃতজ্ঞতা জ্ঞাপন কৰাৰ তৌফিক দান কৰা, যিবোৰ তুমি মোৰ আৰু মোৰ পিতা মাতাৰ ওপৰত দান কৰিছা, আৰু আমি যেন এনেকুৱা আমল কৰিব পাৰো, যাৰ্লৈ তুমি সন্তুষ্ট হোৱা আৰু মোৰ নিমিত্তে মোৰ বংশধৰ সকলক সংশোধন কৰি দিয়া, নিশ্চয় মই তোমাৰ ফালেই প্ৰত্যাবৰ্তন কৰিম, আৰু নিসন্দহে মই অনগত দাসৰ অন্তৰ্গত।

رَبِّ هَبْ لِيْ مِنَ الصّٰلِحِيْنَ۔ অৰ্থাৎ হে মোৰ প্ৰভূ; মোক চালে হিন (সাধু) সকলৰ অংশীদাৰ বনাই দিয়া।

رَبِّ اِنِّيْ لِمَآ اَنْزَلْتَ اِلَيَّ مِنْ خَيْرٍ فَقِيْرٌ۔ হে মোৰ প্ৰভূ; মই তোমাৰ প্ৰদত্ত (নাযিলকৃত) প্ৰত্যেক উত্তম বস্তুৰ ভিক্ষাৰী, সেই বোৰ পোৱাৰ বাঞ্ছা কৰো।

رَبِّ اَوْزِعْنِيْٓ اَنْ اَشْكُرَ نِعْمَتَكَ الَّتِيْٓ اَنْعَمْتَ عَلَيَّ وَعَلٰى وَالِدَيَّ وَاَنْ اَعْمَلَ صَالِحًا تَرْضٰىهُ وَاَدْخِلْنِيْ بِرَحْمَتِكَ فِيْ عِبَادِكَ الصّٰلِحِيْنَ۔

অৰ্থাৎ হে মোৰ প্ৰভূ প্ৰতিপাকল; মোক তোমাৰ প্ৰদত্ত অনুগ্ৰহৰাজিৰ কৃতজ্ঞতা জ্ঞাপন কৰাৰ তৌফিক দান কৰা, যিবোৰ তুমি মোৰ আৰু মোৰ মাক দেউতাৰ ওপৰত বৰ্ষণ কৰিছা, আৰু আমি যেন এনেকুৱা নেক আমল সম্পাদন কৰো যি তোমাৰ পছন্দনীয় আৰু তুমি তোমাৰ কৃপাৰে মোক পূণ্যবান বান্দা সকলৰ অন্তৰ্ভূক্ত কৰা।

رَبِّ زِدْنِيْ عِلْمًا۔ অৰ্থাৎ হে মোৰ প্ৰভূ; মোক জ্ঞান (বিদ্যাত) আগুৱাই দিয়া।

رَبِّ اشْرَحْ لِيْ صَدْرِيْ۔ وَيَسِّرْ لِيْٓ اَمْرِيْ۔ وَاحْلُلْ عُقْدَةً مِّنْ لِّسَانِيْ۔ يَفْقَهُوْا قَوْلِيْ۔ অৰ্থাৎ হে মোৰ প্ৰভূ; মোৰ বক্ষ হৃদয় মোৰ বাবে বহল কৰি দিয়া আৰু মোৰ সমস্যা সমহ সহজ কৰি দিয়া আৰু মোৰ বাগ্মীতা সুগম কৰি দিয়া।

رَبَّنَآ اٰتِنَا مِنْ لَّدُنْكَ رَحْمَةً وَّهَيِّئْ لَنَا مِنْ اَمْرِنَا رَشَدًا۔ অৰ্থাৎ হে আমাৰ প্ৰভূ; আমাক তোমাৰ কৃপা দান কৰা আৰু আমাক সকলোতে হিদায়েত দান কৰা।

رَبِّ ارْحَمْهُمَا كَمَا رَبَّيٰنِيْ صَغِيْرًا۔ অৰ্থাৎ হে মোৰ প্ৰভূ; মোৰ পিতৃ-মাতৃক দয়া কৰা যেনেকৈ তেওঁলোক দুয়োজনে সৰুতে মোক লালন পালন কৰিছে।

رَبِّ اِنِّيْ ظَلَمْتُ نَفْسِيْ فَاغْفِرْ لِيْ۔ অৰ্থাৎ হে মোৰ প্ৰভূ; নিশ্চয় মই নিজৰ প্ৰাণৰ ওপৰত অন্যায় কৰিছো গতিকে মোক ক্ষমা কৰা।

رَبَّنَآ اَتْمِمْ لَنَا نُوْرَنَا وَاغْفِرْ لَنَا ۚ اِنَّكَ عَلٰى كُلِّ شَيْءٍ قَدِيْرٌ۔ হে মোৰ প্ৰভূ; আমাৰ নিমিত্তে আমাৰ আলোক সম্পূৰ্ণ কৰি দিয়া আৰু আমাক ক্ষমা কৰি দিয়া, নিশ্চয় তুমি সকলো বস্তুৰ ওপৰত চিৰস্থায়ী ক্ষমতাশীল।

رَبِّ اجْعَلْنِيْ مُقِيْمَ الصَّلٰوةِ وَمِنْ ذُرِّيَّتِيْ ۖ رَبَّنَا وَتَقَبَّلْ دُعَآءِ۔ رَبَّنَا اغْفِرْ لِيْ وَلِوَالِدَيَّ وَلِلْمُؤْمِنِيْنَ يَوْمَ يَقُوْمُ الْحِسَابُ۔

অৰ্থাৎ হে মোৰ প্ৰভূ; মোক নমাজ প্ৰতিষ্ঠাকাৰী বনোৱা, মোৰ বংশধৰ সকলোকেও বনোৱা, হে মোৰ আল্লাহ মোৰ দোৱা কবুল কৰি লোৱা, হে মোৰ প্ৰভূ; মোক ক্ষমা কৰা, মোৰ পিতৃ-মাতৃক ক্ষমা কৰা আৰু মোমিন সকলকও ক্ষমা কৰিবা যিদিনা হিচাপ লোৱা হ'ব।

رَبَّنَآ اَفۡرِغۡ عَلَيۡنَا صَبۡرًا وَّثَبِّتۡ اَقۡدَامَنَا وَانۡصُرۡنَا عَلَى الۡقَوۡمِ الۡكٰفِرِيۡنَ- হে মোৰ প্ৰভূপ্ৰতিপালক; আমাক ধৈৰ্য্য দান কৰা আৰু আমাক নিজৰ স্থানত প্ৰতিষ্ঠিত ৰাখা আৰু কাফিৰ সকলৰ বিৰুদ্ধে আমাক সহায় কৰা।

رَبَّنَا اغۡفِرۡ لَنَا ذُنُوۡبَنَا وَاِسۡرَافَنَا فِىۡۤ اَمۡرِنَا وَثَبِّتۡ اَقۡدَامَنَا وَانۡصُرۡنَا عَلَى الۡقَوۡمِ الۡكٰفِرِيۡنَ- হে আমাৰ প্ৰভূ প্ৰতিপালক; আমাৰ গোনাহ সমুহ ক্ষমা কৰা আৰু নিজৰ বিষয় সমুহত আমাৰ অন্যায় মাৰ্জনা কৰা আৰু আমাক দৃঢ় প্ৰতিষ্ঠিত ৰাখা আৰু আমাক কাফিৰ সকলৰ বিৰুদ্ধে সহায় কৰা।

رَبَّنَا لَا تَجۡعَلۡنَا فِتۡنَةً لِّلۡقَوۡمِ الظّٰلِمِيۡنَ- وَنَجِّنَا بِرَحۡمَتِكَ مِنَ الۡقَوۡمِ الۡكٰفِرِيۡنَ- অৰ্থাৎ হে আমাৰ প্ৰভূ; আমাক অত্যাচাৰী লোক সকলৰ সৈতে উগ্ৰতাৰ কাৰক নবনাবা আৰু আমাক তোমাৰ কৃপাৰে কাফিৰ সকলৰ পৰা মুক্তি দিয়া।

رَبِّ انۡصُرۡنِىۡ بِمَا كَذَّبُوۡنِ- অৰ্থাৎ হে মোৰ প্ৰভূ; মোক সহায় কৰা তেওঁলোকে মোক মিথ্যাচাৰ সজাইছে।

হুযুৰ (আইঃ) য়ে কয় যে, এতিয়া মই আঁহজৰত (ছাঃ) ৰ শিকোৱা দোৱা উল্লেখ কৰিম। হে আল্লাহ; মোৰ ভূল সমুহ ক্ষমা কৰি দিয়া, আৰু মোৰ সকলো বিষয়তে মোৰ অজ্ঞতা, মূৰ্খতা আৰু অন্যায় আদিৰ দৰে বেয়াৰ পৰা ৰক্ষা কৰা। প্ৰত্যেক সেই বেয়া আৰু লোকচানৰ পৰা আমাক ৰক্ষা কৰা যিবিলাক তুমি মোতকৈ বেছি জানা। হে আল্লাহ মোৰ সকলো জনা, নজনা ভূল তুমি মাৰ্জনা কৰা, যি মোৰ ভিতৰত ৰৈ আছে নাইবা মোৰ দ্বাৰা সংগঠিত হৈছে আৰু যিবোৰ সংগঠিত হোৱা নাই, অথবা যিবোৰ মোৰ দ্বাৰা গোপনে সংগঠিত হৈছে আৰু মুক্ত ভাৱে যিবোৰ গোনাহ কৰিছো সেই সকলোবোৰ তুমি মোক ক্ষমা কৰা। তুমিয়েই আগবঢ়াই লৈ যাওঁতা আৰু পিছলৈ ঠেলি দিওঁতা আৰু তুমিয়েই সকলো বস্তুৰ ওপৰত পৰাক্ৰমী। আকৌ আঁহজৰত (ছাঃ) য়ে দোৱা কৰিছে যে, হে আল্লাহ মই নিজকে নিজে তোমাতে অৰ্পন কৰিছো তোমাৰ ওপৰত নিৰ্ভৰশীল আৰু তোমাৰ ওপৰত ঈমান স্থাপন কৰো, তোমাতে নতশীৰ হওঁ, আৰু তোমাৰ সহায়ৰ সৈতে প্ৰতিযোগীৰ লগত প্ৰতিযোগীতা কৰোঁ আৰু তোমাৰ ওচৰতেই নিজৰ প্ৰতিবেদন দাখিল কৰোঁ, তুমি আগৰ আৰু পিছৰ বাহ্যিক আৰু গোপন সকলো গোনাহ ক্ষমা কৰা, তুমিয়েই প্ৰধান আৰু শেষ তোমাৰ বিহনে কোনো উপাস্য নাই।

اللهم انى اعوذبك من قلب لا يخشع ومن دعاء لا يسمع ومن نفس لا تشبع ومن علم يا ينفع اعوذبك من هولاء الاربع-

হে আল্লাহ; মই তোমাৰ পৰা এনেকুৱা হৃদয়েৰে আশ্ৰয় প্ৰাৰ্থনা কৰোঁ য'ত কোনো কাকুতি-মিনতি বিনম্ৰতা নাই আৰু এনে দোৱাৰে আশ্ৰয় প্ৰাৰ্থনা কৰো যি গ্ৰহনযোগ্য নহয় আৰু এনে প্ৰবৃত্তিৰে যি কেতিয়াও পৰিতৃপ্ত নহয়, আৰু এনেকুৱা জ্ঞানেৰে যিয়ে কোনো কল্যাণ সাধন কৰিব নোৱাৰে। এই চাৰিওটাৰে মই তোমাৰ আশ্ৰয় বিচাৰো।

يا مقلب القلوب ثبت قلبى على دينك- অৰ্থাৎ হে হৃদয়ৰ নিয়ন্ত্ৰন কৰোঁতা, মোৰ হৃদয় তোমাৰ ধৰ্মৰ ওপৰত দৃঢ় প্ৰতিষ্ঠিত ৰাখা।

اللهم انى اسئلك الهدى والتقى والعفاف والغناء- হে আল্লাহ; মই তোমাৰ পৰা হিদায়েত, তাকওয়া, পৰহেজগাৰী আৰু ধনমাল প্ৰাৰ্থনা কৰো।

اللهم انا نجعلك فى نحورهم ونعوذبك من شرورهم- অৰ্থাৎ আমি তোমাক সেই সকলৰ বক্ষত স্থাপন কৰি ৰাখো অৰ্থাৎ তোমাৰ ভয় সিহঁতৰ হৃদয় ভৰি যাওঁক, আৰু আমি সিহঁতৰ বেয়াৰ পৰা তোমাৰ আশ্ৰয় বিচাৰো।

اللهم انى اسئلك حبك وحب من يحبك والعمل الذى يبلغنى حبك اللهم اجعل حبك احب الى من نفسى واهلى ومن الماء البارد-

অৰ্থাৎ হে আল্লাহ; মই তোমাৰ পৰা তোমাৰ মৰম বিচাৰো আৰু সেই সকলৰ মৰম বিচাৰো, যি সকলে তোমাক ভাল পায় আৰু সেই কামক ভাল পাওঁ, যিয়ে মোক তোমাৰ মৰম লৈকে পৌছাই দিয়ে। হে মোৰ খোদা, তুমি এনেকুৱা কৰা যে তোমাৰ মৰম যেন মোৰ প্ৰাণ মোৰ পৰিয়াল আৰু চেঁচা পানীতকৈ মোৰ ওচৰত বেছী ভাল লগা হয়।

হজৰত মছিহ মাওউদ (আঃ) য়ে দোৱা কৰিছিল যে;

يامن هو احب من كل محبوب اغفرلي وتب الي وادخلني في عبادك المخلصين- চৌধুৰী ৰুস্তম আলী চাহাবলৈ এই দোৱা লিখি পঠাইছিল যে, হে সেইজন; যিজন প্ৰত্যেক প্ৰেমিকতকৈ বেছি ভালপোৱাৰ যোগ্য, মোক ক্ষমা কৰা আৰু মোৰ ওপৰত কৃপা কৰা, আৰু মোক তোমাৰ পৱিত্ৰ বান্দাৰ অন্তৰ্ভূক্ত কৰি লোৱা। মই তোমাৰ পাপী বান্দা আৰু প্ৰবৃত্তিৰ হাতত পৰাজিত সেয়ে তুমি আমাক ক্ষমা কৰা আৰু আখেৰাতত বিপদৰ পৰা ৰক্ষা কৰা।

আল্লাহত বিলীন হোৱাৰ বাবে তেখেত (আঃ) য়ে এই দোৱা শিকাইছে; হে বিশ্ব জাহানৰ প্ৰভু প্ৰতিপালক; তোমাৰ দয়াৰ কৃতজ্ঞতা জ্ঞাপন কৰিব নোৱাৰো, তুমি সৰ্বোত্তম ৰহিম ও কৰিম। মোৰ ওপৰত তোমাৰ অপাৰ দয়া, মোৰ গোনাহ ক্ষমা কৰি দিয়া যাতে মই ধংস হৈ নাযাও, মোৰ হৃদয়ত তোমাৰ প্ৰেম ঢালি দিয়া যাতে এই জীৱণৰ উদ্দেশ্য সফল হয় আৰু মোক আবৃত কৰি ৰাখা লগতে এনেকুৱা আমল কৰাৰ সামাৰ্থ্য দান কৰা, যাৰ ওপৰত তুমি সন্তুষ্ট থাকা। মই তোমাৰ দানৰ প্ৰমাণৰ সৈতে এই বিষয়ে আশ্ৰয় বিচাৰো যে তোমাৰ ক্ৰোধ যেন মোৰ ওপৰত বৰ্ষণ নহয়, দয়া কৰা, দয়া কৰা আৰু ইহকাল, পৰকালৰ বিপদ সমুহৰ পৰা ৰক্ষা কৰা কাৰণ প্ৰত্যেক কৃপা ও কৰুণা তোমাৰ হাতত। (আমিন)

সাধাৰণতে আমি ইছলাম বিশ্বক দোৱাৰ মাজত মনত ৰখা উচিত যাতে আল্লাহ তায়লা এওঁলোকৰ মাজত একতাৰ জন্ম দিয়ে আৰু বিদীৰ্ণ হৃদয়ক যোৰ দিয়ে আৰু পাৰস্পৰিক শত্ৰুতাৰ অন্ত পৰে। লগতে ইছলামৰ শত্ৰুৰ ক্ষতি সাধন কৰাৰ পৰা যেন আঁতৰত থাকে। আল্লাহ তায়লা সকলো আহমদীৰ মাজত আনন্দৰ জন্ম দিয়ক, সকলো ধৰণৰ বিপদৰ পৰা ৰক্ষা কৰক আৰু সদায় নিজামে জমাত আৰু নিজামে খিলাফতৰ সৈতে সংযুক্ত থকাৰ সামৰ্থ দান কৰক। আল্লাহ তায়লা আমাক দাজ্জালৰ প্ৰৰোচনা আৰু বেয়াৰ পৰা নিৰাপত্তা দান কৰক। আল্লাহ তায়লা জমাতৰ শ্বহীদ সকলৰ মৰ্যদা উন্নীত কৰক। আল্লাহৰ বাটত গৈ অৰ্থাৎ (আছিৰাণে ৰাহে মওলা) কয়েদী সকলৰ মুক্তিৰ ব্যাৱস্থা কৰক। এনেদৰে কাদিয়ান, পাকিস্থান, বিশেষকৈ ৰাবোয়াৰ কিছুমান লোকৰ ওপৰত যি জুলুম অত্যাচাৰ চলি আছে, আল্লাহ তায়লা সিহঁতক এই অত্যাচাৰীৰ হাতৰ পৰা মুক্তি দান কৰক। বৰ্তমানে আকৌ ইয়ামিনত তীব্ৰ আক্ৰমন আৰম্ভ হৈছে, ইৰাক, স্বাম আদি দেশত ফিৰকা আৰু গোত্ৰৰ মাজত মতবিৰুধ হোৱাৰ বাবে মুছলমানে, মুছলমানৰ ডিঙি কাটি আছে। আল্লাহ তায়লা সিহঁতক প্ৰজ্ঞা দান কৰক আৰু আঁহজৰত (ছাঃ) ৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰাৰ তৌফিক দান কৰক। এনেদৰে আল্লাহ তায়লা সেই সকল লোকৰ জান, মালত বৰকত দান কৰক যি সকলে জমাতৰ বিভিন্ন চান্দাৰ তেহেৰিকত অংশ গ্ৰহন কৰি কোৰবাণী কৰি আছে। এনেদৰে আমাৰ কৰ্মী সকলৰ তবলিগৰ কামৰ ক্ষেত্ৰত আজি এম.টি.এ. ৰ বহুত ডাঙৰ ভুমিকা লৈছে। আল্লাহ তায়লা এম.টি.এ. ৰ কৰ্মীবৃন্দক আৰু ভলেণ্টিয়েৰ আৰু ইচ্ছুক কৰ্মী সকলক পুৰুস্কৃত কৰক আৰু আগতকৈ বেছি খিদমত কৰাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15 June 2018**

**(BOOK POST PRINTED MATTER)**

**To**

--------------------------------------------------------------------------

--------------------------------------------------------------------------

--------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**